আদৰ্শ

অসমীয়া হস্তলিপি-৩

তৃতীয় শ্ৰেণী

গ্ৰন্থলিচ্

আদৰ্শ অসমীয়া হস্তলিপি-৩

তৃতীয় শ্ৰেণীৰ বাবে

প্ৰস্তুতকৰ্তা

গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

আদৰ্শ অসমীয়া হস্তলিপি -৩
তৃতীয় শ্ৰেণীৰ বাবে

সৰ্বস্বত্ব প্ৰকাশকৰ দ্বাৰা সংৰক্ষিত

প্ৰথম প্ৰকাশ ঃ

প্ৰকাশক
গ্ৰুহিলচ্ পাব্লিশ্বিং
কমলপুৰ বৰপেটা (অসম)

গ্ৰুহিলচ্ পাব্লিশ্বিং ডি. টি. পি. অপাৰেটৰ্চ

মূল্যঃ .... /-

আগকথা

কলম বা পেঞ্চিলৰ সহায়ত হাতেৰে লিখা আখৰেই হাতৰ আখৰ। হাতৰ আখৰ হৈছে শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। হাতৰ আখৰ নিশিকাকৈ কোনোৱে প্ৰকৃত অৰ্থত শিক্ষিত বুলি দাবী কৰিব নোৱাৰে। পৃথিৱীত বৰ্তি থকা সৰহভাগ ভাষাৰ ছপা আখৰ আৰু হাতে লিখা আখৰৰ শৈলীৰ মাজত কিছু পাৰ্থক্য দেখা যায়। হাতৰ আখৰ ভাল হোৱা উচিত। মহাত্মা গান্ধীয়ে হাতৰ আখৰক শিক্ষাৰ এক প্ৰধান অংগ বুলি স্বীকাৰ কৰি নিজৰ বেয়া হাতৰ আখৰৰ বাবে আজীৱন শোক কৰিছিল। ভাল হাতৰ আখৰৰ বিশেষ গুৰুত্ব আৰু তাৎপৰ্য আছে। যেনে ঃ

প্ৰথমতে, হাতৰ আখৰ ভাল হ'লে শিক্ষণ কাৰ্যত মনোযোগ আৰু আগ্ৰহ বৃদ্ধি পায়।

দ্বিতীয়তে, ভাল হাতৰ আখৰে বোধশক্তি আৰু স্মৃতি শক্তি বৃদ্ধি কৰে।

তৃতীয়তে, ভাল হাতৰ আখৰে এজন ব্যক্তিৰ ব্যক্তিত্ব গঠনত ইতিবাচক প্ৰভাৱ পেলায়।

চতুৰ্থতে, ভাল হাতৰ আখৰৰ অধিকাৰী ছাত্ৰ বা ছাত্ৰী এজনে অতি সোনকালে শিক্ষকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

পঞ্চমতে, হীনমন্যতাবোধত ভুগি থকা ছাত্ৰ এজনে ভাল হাতৰ আখৰৰ অধিকাৰী হ'লে হীনমন্যতাবোধ ৰোগৰ পৰা প্ৰতিকাৰ পাব পাৰে।

ষষ্ঠতে, ভাল হাতৰ আখৰে মানসিক সন্তুষ্টি প্ৰদান কৰে।

সেয়ে ভাল হাতৰ আখৰৰ গুৰত্ব অনুধাৱন কৰি ইয়াক শিক্ষাৰ কী-বোৰ্ড বুলি ক'ব পাৰি।

ইয়াতে বিশেষ লক্ষণীয় যে হাতৰ আখৰ ব্যক্তি ভেদে ভিন ভিন শৈলীৰ হয়। আজিকালি কম্পিউটাৰত আখৰৰ বহুত শৈলী পোৱা যায় যদিও সকলোবোৰ শৈলী আদৰ্শ শৈলী বুলি আমি ক'ব নোৱাৰোঁ। কিন্তু আমি যি শৈলী অনুসৰণ নকৰোঁ কিয়, হাতৰ আখৰ ভাল হোৱা উচিত। হাতৰ আখৰ ভাল কৰাৰ বাবে বহুত অনুশীলনৰ প্ৰয়োজন যদিও ভাল হাতৰ আখৰৰ কিছুমান বৈশিষ্ট্য আছে। যেনে ঃ

প্ৰথমতে, হাতেৰে লিখাৰ সময়ত এটা শব্দৰ ভিতৰত থকা আটাইবোৰ বৰ্ণ সংলগ্ন থাকিব লাগে।

দ্বিতীয়তে, হাতৰ আখৰ পোন বা সোঁফালে সামান্য হেলনীয়া হ'ব লাগে। বাওঁপিনে হেলনীয়া হোৱা উচিত নহয়।

তৃতীয়তে, হাতৰ আখৰ অতি সৰু বা অতি ডাঙৰ হ'ব নালাগে।

চতুৰ্থতে, হাতৰ আখৰ সদায় এটা শৈলীত লিখিব লাগে।

ইয়াৰ উপৰিও হাতৰ আখৰ অনুশীলন কৰাৰ সময়ত তলত উল্লেখ কৰা দিশবোৰ মানি চলা উচিত।

প্ৰথমতে, শিকাৰু এজনে তেওঁৰ ভাল লগা আৰু সহজ যেন লগা এটি আৰ্হি অনুকৰণ কৰিব লাগে।

দ্বিতীয়তে, প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীসকলে বা যিকোনো শিকাৰুৱে কাঠ পেঞ্চিল বা ফাউন্টেইন পেন (নিব থকা কলম) ব্যৱহাৰ কৰিব লাগে। কেতিয়াও বল (ডট) পেন ব্যৱহাৰ কৰিব নালাগে।

তৃতীয়তে, অনুশীলনৰ সময়ত চাৰি-আঁচ বিশিষ্ট বহী ব্যৱহাৰ কৰিব লাগে।

চতুৰ্থতে, হাতৰ আখৰ অভ্যাস কৰোঁতে শিকাৰু এজনে চিয়াৰত বহি টেবিলৰ ওপৰত বহী থৈ আৰ্হি চাই অনুশীলন কৰিব লাগে। কেতিয়াও বিচনাৰ ওপৰত বহি তপিনাত ভৰ দি অনুশীলন কৰিব নালাগে।

পঞ্চমতে, টেবিলৰ উচ্চতা ছাত্ৰজনৰ বুকুলৈকে হ'ব লাগে।

ষষ্ঠতে, পোহৰ ছাত্ৰজনৰ বাওঁপিনৰ পৰা পৰিবলৈ দিব লাগে।

সপ্তমতে, ছাত্ৰজনে ব্যৱহাৰ কৰা টেবিলখন পৰিপাটি হোৱাৰ লগতে মুকলি স্থান থাকিব লাগে। কিতাপ-পত্ৰৰে ঠাহ খাই থকা হ'ব নালাগে।

অষ্টমতে, ছাত্ৰজনে প্ৰত্যেক দিনেই হাতৰ আখৰ অনুশীলন কৰিব লাগে।

নৱমতে, ছাত্ৰজনে হাতৰ আখৰ অনুশীলন কৰাৰ সময়ত কেতিয়াও তততৈয়া কৰিব নালাগে।

দশমতে, ছাত্ৰজনে ধৈৰ্য ধৰি একেলেথাৰিয়ে বহুত দিন হাতৰ আখৰ অভ্যাস কৰিব লাগে।

২

আদৰ্শ অসমীয়া হস্তলিপি- ৩ নামৰ অভ্যাস পুথিখন তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰা হৈছে। এই অভ্যাসপুথিখনত ছাত্ৰ-ছাত্ৰীসকলে তৃতীয় শ্ৰেণীত পোৱা নতুন শব্দবোৰ দিয়া হৈছে যাতে হাতৰ আখৰ অভ্যাস কৰাৰ লগে লগে এই শ্ৰেণীত পোৱা নতুন শব্দ আৰু সেইবোৰৰ বানানৰ লগতো পৰিচয় হয়। গতিকে এই অভ্যাস পুথিখন অসমীয়া বিষয়ৰ পৰিপূৰক পুথি হিচাপে গ্ৰহণ কৰা অৱশ্যেই প্ৰয়োজন। হাতৰ আখৰ শিকাওঁতে শিক্ষক / শিক্ষয়িত্ৰীয়ে এটা বৰ্ণ কেইবাবাৰো ডাঙৰ ডাঙৰকৈ ব্লাকবোৰ্ডত লিখি বৰ্ণটো লিখোতে ক'ৰ পৰা আৰম্ভ কৰিব লাগে, কোনটো পাক বা চুক আগতে লিখিব লাগে আদি দিশ স্পষ্টকৈ বুজাই দিব লাগে। পিছত ছাত্ৰ-ছাত্ৰীক কেইবাবাৰো অনুশীলন কৰিবলৈ দিব লাগে। ভাল হাতৰ আখৰৰ তাৎপৰ্যৰ বিষয়ে প্ৰেৰণাদায়ক আলোচনাৰে ছাত্ৰ-ছাত্ৰীক ভাল হাতৰ আখৰৰ অধিকাৰী হ'বলৈ উৎসাহিত কৰিব লাগে।

শেষত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা, ছাত্ৰ-ছাত্ৰী তথা শিক্ষাবিদসকলৰ পৰা গঠনমূলক সমালোচনা আৰু দিহাপৰামৰ্শ প্ৰত্যাশা কৰিলোঁ।

কমলপুৰ, বৰপেটা

প্ৰকাশক
গ্ৰহিলচ্ **পাব্লিশ্বিং**

কুম্ভ কুম্ভীৰ কুম্ভকাৰ ভূমিকম্প কোম্পানী

কম্পাচ ম্লান অম্লান অম্লজান মৃন্ময় পদ্ম

তন্ময়　হিৰন্ময়　আজন্ম　ব্ৰহ্মা　ব্ৰাহ্মণ　ছদ্ম

ব্ৰহ্মপুত্ৰ　ব্ৰহ্মজান　পদ্মাৱতী　আত্মা　মহাত্মা

পৰমাত্মা ৰুক্মিণী ৰুক্মবীৰ বাগ্মী বাগ্মীবৰ

মহেঞ্জোদাৰো ওডেচি ইলিয়াদ মহাকাব্য

গঙ্গা কলিঙ্গ পতঙ্গ ৰঙ্গ সঙ্গ অঙ্ক পঙ্ক

লঙ্কা উদ্বুদ্ধ ৰঙ্গমঞ্চ প্ৰকল্প বিশ্ব অশ্ব

ঈশ্বৰ নশ্বৰ পশ্চিম শিৰশ্চ্ছেদ অবিনশ্বৰ

অব্দ শব্দ শতাব্দী অব্জ কুব্জ দিগ্বিজয়

ব্লিচিং বুর্ব্বক বুর্ব্বন দিগ্বিদিগ ধ্বনি ধ্বংস

দ্বাৰ দ্বাৰপাল দ্বাৰকা দ্বীপ আহ্বান প্ৰত্যাহ্বান

উজ্জ্বল প্ৰোজ্জ্বল কুজ্ঝটিকা স্বেচ্ছাচাৰী স্থায়ী

কল্প কল্পনা অল্প শিল্প গল্প গুল্ম বল্মা

বাল্টি পাল্টা মাল্টা ক্লান্ত ক্লেশ শুক্লপক্ষ

শুক্লধ্বজ ক্লীৱ ফ্লেগ ফ্লোৰেন্স প্লেগ বহ্নি

বিপ্লৱ প্লাৱন ভাতৃ গণতন্ত্ৰ দুৰ্নাম পাৰ্গত

পৰ্যটক ওস্তাদ সন্মুখ তীক্ষ্ন জ্ঞানী উদণ্ড

উচ্ছেদ বিচ্ছেদ অভীপ্সা লিপ্সা সূক্ষ্ম পণ্ড

উদ্ভিদ উদ্ভাৱন লক্ষ্মণ লণ্ডন প্ৰচণ্ড সংস্কৃত

সণ্ঢালন সণ্ঢালনি লক্ষ্মী দুষ্টালি পুৰস্কাৰ

পৰিত্যাগ অপ্ৰিয় সম্ভৰণ সৰ্ব্বজন ৰঞ্জন

অভিযন্তা বৈশিষ্ট্য নিৰক্ষীয় নিখুঁত কাৰিকৰ

প্ৰাৰম্ভিক ক্ৰমঃবিকাশ শতাব্দী সঞ্চালন সস্তা

ৰাজতন্ত্ৰ সাম্ৰাজ্য শৌৰ্য-বীৰ্য পৰম্পৰা জন্ম

থৈয়া-নথৈয়া জনবিশ্বাস পতিহন্তা হেংদাং

গৌৰৱ অনুকাৰ দেবেন্দ্ৰ আচাৰ্য কোঁৱৰ

প্ৰাকৃতিক উৎপন্ন ঘঁৰিয়াল প্ৰাৱল্য নিৰ্ণয়

শিক্ষয়িত্ৰী যৌগিক মৌখিক আঢ্যৱন্ত শক্ৰু

কৃত্ৰিম নিশ্চল দাৰ্শনিক যুদ্ধক্ষেত্ৰ ব্ৰহ্মাণ্ড

কুঁৱলী রাজপ্ৰসাদ নেপোলিয়ন সানমিহলি

কল্মৌ বাল্মীকি ভয়ঙ্কৰ ভল্গা স্ফটিক

মূলমন্ত্ৰ ঋতু সহপাঠী সৌন্দৰ্য আকৰ্ষণীয়

পূৰ্ণিমা মুগ্ধকৰ কীৰ্তিস্তম্ভ স্থপতি হিন্দু

পাণ্ডিত্য বৰদৈচিলা পেঙ্গুইন ৰংচণ্ডীয়া ৰত্না

কাৰ্য-কলাপ কাৰ্যাৱলী কাৰ্য-পন্থা কৰণীয়

মহাত্মা গান্ধী জাতিৰ পিতা।

বিপদৰ বন্ধুহে আচল বন্ধু।

পদুম ফুল ভাৰতৰ জাতীয় ফুল।

নিস্বঃসকলক সহায় কৰিব লাগে।

মানৱ সেৱাই পৰম ধৰ্ম।

কুজ্ঝটিকা মানে কুঁৱলী।

বৰ্ষা ঋতুত অসমত বানপানী হয়।

তাজমহল ভাৰতৰ এক গৌৰৱ।

অসম বনজ সম্পদত চহকী।

টোকোৰা চৰাই পক্ষীকুলৰ অভিযন্তা।

চাইকেল এক জনপ্ৰিয় বাহন।

মূলাগাভৰু অসমৰ গৌৰৱ।

ভাৰতবৰ্ষ এখন স্বাধীন ৰাষ্ট্ৰ।

পৰিশ্ৰমেই উদগতিৰ মূল।

বব্ৰুবাহন অৰ্জুনৰ পুত্ৰ।

ভল্লা এখন ডাঙৰ নদীৰ নাম।

মহাপুৰুষ শংকৰদেৱ একশৰণ নাম ধৰ্মৰ প্ৰৱৰ্তক।

আমি আমাৰ দেশক ভাল পাওঁ।

অসমৰ গঁড়ৰ এটা খড়গ আছে।

আমি নিয়মিতভাৱে লিখা-পঢ়া কৰিব লাগে।